# NSD NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 29-09-2024
**Time :** 13-40 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, মেক ইন ইণ্ডিয়াৰ জৰিয়তে ভাৰত বৰ্তমান নিৰ্মাণখণ্ডৰ শক্তিকেন্দ্ৰত পৰিণত হৈছে। তেওঁ কয় যে, দৰিদ্ৰ শ্ৰেণী, মধ্যবিত্ত আৰু ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ মেক ইন ইণ্ডিয়াৰ জৰিয়তে বহু লাভান্বিত হৈছে আৰু ইয়াৰ লগে লগে সমাজৰ সকলো শ্ৰেণীৰ লোকে নিজৰ নিজৰ প্ৰতিভা বিকশিত কৰাৰ বাবে সুযোগ লাভ কৰিছে। আকাশবাণীযোগে প্ৰচাৰিত মাহেকীয়া অনুষ্ঠান মন কী বাতৰ ১১৪ সংখ্যক খণ্ডৰ আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে কয়। নিজৰ বক্তব্যত তেওঁ মেক ইন ইণ্ডিয়াৰ সাফল্যত আলোকপাত কৰি কয় যে, এই অভিযানৰ সাফল্যই দেশৰ ডাঙৰ ডাঙৰ উদ্যোগসমূহৰ লগতে প্ৰতিটো খণ্ডৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলকো সামৰি লৈছে। শ্ৰীমোদীয়ে কয় যে, এই অভিযানে দেশৰ ৰপ্তানি বাণিজ্য বৃদ্ধি কৰাৰ লগতে প্ৰত্যক্ষ বিদেশী বিনিয়োগক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। চৰকাৰে উৎপাদনৰ গুণগত মানত গুৰুত্ব দিয়াৰ লগতে স্থানীয় সামগ্ৰীৰ ব্যৱহাৰ অধিক কৰাৰ লক্ষ্যৰে ভোকেল ফৰ লোকেল নীতিতো গুৰুত্ব দিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। এই ক্ষেত্ৰত তেওঁ মহাৰাষ্ট্ৰৰ ভাণ্ডাৰা জিলাৰ এটা উদাহৰণ দি কয় যে মেক ইন ইণ্ডিয়া উদ্যমক প্ৰতিফলিত কৰি ভাণ্ডাৰাৰ ৫০ টাৰো অধিক আত্মসহায়ক গোটে তুষাৰ ছিল্কৰ সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰি আছে। প্ৰধানমন্ত্ৰীয়ে অনাগত উৎসৱৰ বতৰত দেশত তৈয়াৰী সামগ্ৰী ক্ৰয় কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

চাকৰি তথা কৰ্মসংস্থাপনৰ পৰিৱৰ্তিত গতিক আঙুলিয়াই দি শ্ৰীমোদীয়ে কয় যে, নতুন নতুন খণ্ডৰ প্ৰয়োজন অনুসৰি চাকৰিৰ প্ৰকাৰো সলনি হৈছে। তেওঁ কয় যে, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে **ভাৰতত সৃষ্টি** বিষয়বস্তুৰ আধাৰত প্ৰতিভা তথা সৃষ্টিশীলতা বিকাশৰ লক্ষ্যৰে ২৫ টা প্ৰত্যাহ্বানমূলক কাম আৰম্ভ কৰিছে। তেওঁ সৃষ্টিশীল লোকসকলক ইয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

স্বচ্ছ ভাৰত অভিযানৰ সাফল্যত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ২ অক্টোবৰত এই অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হ'ব আৰু মানুহৰ মাজত আৱৰ্জনাক সম্পত্তিলৈ ৰূপান্তৰ কৰাৰ মন্ত্ৰ জনপ্ৰিয় হোৱাৰ কথাই এই অভিযানৰ সাফল্যকে নিৰ্দেশ কৰিছে। তেওঁ কয় যে, বৰ্তমান দেশবাসীয়ে হ্ৰাস, পুনৰ ব্যৱহাৰ আৰু নৱীকৰণৰ বিষয়ে কবলৈ লৈছে। প্ৰধানমন্ত্ৰীয়ে স্বচ্ছ ভাৰত মিছনক গণ আন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে সকলোকে আহ্বান জনায়। স্বচ্ছতাৰ বাবে সমগ্ৰ জীৱন উৎসৰ্গা কৰি যোৱা মহাত্মা গান্ধীলৈ তেওঁ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে উত্তৰাখণ্ডৰ উত্তৰ কাশীৰ সীমান্তৱৰ্তী গাওঁ ঝালাত যুৱক-যুৱতীসকলে নিজৰ গাঁওখন পৰিষ্কাৰ কৰি ৰাখিবলৈ আৰম্ভ কৰা ধন্যবাদ প্ৰকৃতি শীৰ্ষক বিশেষ কাৰ্যসূচীৰ উল্লেখ কৰে। তেওঁ এই ক্ষেত্ৰত পুডুচেৰীৰ মাহে

অঞ্চলত যুৱ সমাজক নেতৃত্ব দিয়া মহিলা ৰামায়া আৰু ২৩ হাজাৰৰো অধিক ভগা চকীক মেৰামতি কৰি পুনৰ ব্যৱহাৰ যোগ্য কৰি তোলা কোজিকোডৰ ৭৪ বছৰীয়া সুব্ৰমনিয়ামৰ কথা উল্লেখ কৰে।

মন কী বাতত প্ৰধানমন্ত্ৰীয়ে মাৰ নামত এজুপি গছ অৰ্থাৎ এক পেৰ মা কে নাম অভিযানত অংশ গ্ৰহণ কৰিবলৈ সকলোকে উৎসাহিত কৰে। তেওঁ কয় যে, এই অভিযানৰ সাফল্যই সমগ্ৰ সমাজখনক অভাৱনীয় ফলাফল দিব। এই ক্ষেত্ৰত বিশেষ সাফল্য লাভ কৰা উত্তৰ প্ৰদেশ, গুজৰাট, মধ্যপ্ৰদেশ, ৰাজস্থান আৰু তেলেংগানাত শ্ৰীমোদীয়ে প্ৰশংসা কৰে। তেওঁ কয় যে, এই গছপুলি ৰোপণ কাৰ্যসূচীত সমগ্ৰ দেশৰ কেইবাহাজাৰ বিদ্যালয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে। তেওঁ কয় যে, তেলেংগানাৰ কে এন ৰাজাশেখৰে অকলে এহেজাৰ ৫শৰো অধিক গছপুলি ৰোপণ কৰিছে। বিৰল আৰু অতি প্ৰয়োজনীয় বনৌষধীৰে এখন আটকধুনীয়া বাগিছা গঢ়ি তোলা তামিলনাডুৰ মাডুৰাইৰ শুভাশ্ৰীকো প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে। পানী সংৰক্ষণত গুৰুত্ব দি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, বৰষুণৰ বতৰত সংগ্ৰহ কৰা পানীয়ে নাটনিৰ দিনত বহুতো সহায় কৰে। এই ক্ষেত্ৰত তেওঁ ঝানছিৰ বুন্দেল খণ্ড অঞ্চলৰ উদাহৰণ দি কয় যে, একাংশ মহিলাই বৰষুণৰ পানীক বিশেষভাৱে বোৱাই নি ঘুৰাৰি নদীক এটা নতুন জীৱন দিবলৈ সমৰ্থ হৈছে। পানী সংৰক্ষণৰ বাবে উল্লেখযোগ্য কাম কৰা মধ্যপ্ৰদেশৰ দিনদৰিৰ ৰায়পুৰা গাওঁ আৰু চাটাৰপুৰৰ মহিলাসকলক তেওঁ প্ৰশংসা কৰে। পানীৰ নাটনিৰ জোৰা মাৰিবলৈ প্ৰধানমন্ত্ৰীয়ে দেশৰ চুকে কোণে পানী সংৰক্ষণ কৰাত গুৰুত্ব দিয়ে।

বিকাশ ভি, বিৰাছট ভি মন্ত্ৰৰ উল্লেখ কৰি শ্ৰীমোদীয়ে প্ৰকাশ কৰে যে, তেওঁ অলপতে কৰা আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণৰ সময়ত দেশখনৰ পৰা প্ৰায় ৩০০ প্ৰাচীন কলা সামগ্ৰীক দেশলৈ ঘুৰাই অনাৰ ব্যৱস্থা কৰিছে। তেওঁ কয় যে, আমেৰিকাৰ ৰাষ্ট্ৰপতি জো বাইডেনে তেওঁৰ ডেলাৱাৰৰ ব্যক্তিগত বাসগৃহত এই সামগ্ৰীসমূহ তেওঁক দেখুৱাইছিল। ঘুৰাই আনিবলগীয়া সামগ্ৰীসমূহ তেৰাকটা, পাথৰ, হাতীদাঁত, কাঠ, তাম আৰু ব্ৰঞ্জেৰে নিৰ্মিত বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে। এই ভাৰতীয় সামগ্ৰীসমূহৰ চোৰাং সৰবৰাহ এটা ডাঙৰ অপৰাধ বুলি বৰ্ণনা কৰি তেওঁ কয় যে, চৰকাৰে বৰ্তমান বিভিন্ন দেশত থকা ভাৰতৰ মূল্যবান সামগ্ৰীসমূহ দেশলৈ ঘুৰাই অনাৰ বাবে চেষ্টা কৰি আছে।

মাতৃভাষাত গুৰুত্বত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, দেশত ২০ হাজাৰ ভাষা আৰু উপভাষা আছে। তেওঁ বিভিন্ন ভাষা, বিশেষকৈ চাওতালী ভাষা সংৰক্ষণৰ বাবে লোৱা ব্যৱস্থাৰ উচ্চ প্ৰশংসা কৰে। এই অভিযানে চাওতালী ভাষাক এটা নতুন পৰিচয় দিব বুলি তেওঁ উল্লেখ কৰে। মন কী বাতৰ ১১৪ সংখ্যক খণ্ডত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, এইটো খণ্ড তেওঁৰ বাবে বিশেষভাৱে আৱেগিক, কাৰণ এই অনুষ্ঠানে ১০ বছৰ সম্পূৰ্ণ কৰিবলৈ আগবাঢ়িছে। তেওঁ কয় যে, ১০ বছৰ পূৰ্বে ৩ অক্টোবৰত বিজয়া দশমীৰ দিনা মন কী বাত আৰম্ভ হৈছিল। তেওঁ কয় যে, দেশৰ বিভিন্ন কোণৰ পৰা বিভিন্ন বিষয়ৰ তথ্য দি কোটি কোটি শ্ৰোতাই মন কী বাতক সমৃদ্ধ কৰিছে। শ্ৰোতাসকলক এই অনুষ্ঠানৰ প্ৰকৃত আঁত ধৰোতা বুলি অভিহিত কৰি শ্ৰীমোদীয়ে কয় যে, দেশৰ লোকসকল যোগাত্মক তথ্য পাবৰ বাবে কিমান আগ্ৰহী হৈ থাকে সেয়া মন কী বাতে প্ৰমাণ কৰি দেখুৱাইছে। প্ৰধানমন্ত্ৰীয়ে মন কী বাতৰ ১০ বছৰত আকাশবাণী, দূৰদৰ্শন আৰু প্ৰসাৰ ভাৰতীৰ সৈতে জড়িত সকলোকে প্ৰশংসা কৰি কয় যে, তেওঁলোকৰ অক্লান্ত পৰিশ্ৰমৰ বাবে মন কী বাতে গুৰুত্বপূৰ্ণ মাইলৰ খুটি স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে টিভি চেনেল, ছপা মাধ্যম আৰু ইউটিউবাৰসকলকো ধন্যবাদ জনায়। তেওঁ কয় যে, এই অনুষ্ঠান দেশৰ ২২ টা ভাষাৰ উপৰি ১২ টা বিদেশী ভাষাতো শুনিব পৰা যায়।

সমাগত উৎসৱৰ বতৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে, নৱৰাত্ৰীৰে আৰম্ভ হৈ পৰৱৰ্তী দুমাহ পৰ্যন্ত পুজা অৰ্চনা, উপবাস, আনন্দ, অব্যাহত থাকিব। আহিবলগীয়া উৎসৱসমূহৰ বাবে তেওঁ দেশবাসীক শুভেচ্ছা জনায়।

০০০০০০০

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত অহা ১৩ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ আৰম্ভ হ'ব। বিগত বৰ্ষৰ বিশেষ সাফল্যৰ পাছত এই বছৰো তৃণমূল পৰ্যায়ৰ প্ৰতিযোগীৰ অংশগ্ৰহণ, ন ন প্ৰতিযোগী সৃষ্টি তথা ক্ৰীড়াৰ ক্ষেত্ৰত ৰাজ্যক আগবঢ়াই নিয়াৰ লক্ষ্যৰে এই খেল মহাৰণৰ আয়োজন কৰা হৈছে। এথলেটিকছ, ফুটবল, কাবাডী, ভলীবল, দবা খেল, সাঁতোৰ, চাইকেল চলোৱা আদিকে ধৰি কেইবাটাও শাখাত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এইবাৰৰ খেল মহাৰণত কেইবা বিধো নতুন খেল অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ বাবে কাইলৈৰ পৰা পঞ্জীয়ন আৰম্ভ হ'ব। অংশগ্ৰহণকাৰীসকলে **খেল মহাৰণ এপ** অথবা www.dsywassam.com/khel ৱেবছাইটত গৈ পঞ্জীয়ন কৰিব পাৰিব।

০০০০০০০

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত ৰাজ্যৰ উদ্যোগীসকললৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কাইলৈ হ'বলগীয়া বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বচা বচা কেইগৰাকীমান উদ্যোগীক আনুষ্ঠানিকভাৱে ইয়াৰ প্ৰথমটো কিস্তি প্ৰদান কৰিব। অনুষ্ঠানত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। এই অভিযানৰ যোগেদি ৰাজ্যৰ নিবনুৱা সমস্যা হ্ৰাস কৰাৰ উপৰি ঔদ্যোগীকৰণৰ পৰিৱেশ সৃষ্টি কৰা প্ৰয়াস কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এই আঁচনিৰ যোগেদি নৱপ্ৰজন্মক নিজৰ ভৰিত থিয় হ'ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই অভিযানৰ অধীনত কৃষি আৰু উদ্যান শস্য, পেকেজিং, বৃত্তিমূলক শিক্ষাৰে স্বনিয়োজন, মীন পালন, বাঁহ, ৰবৰ, অগৰু আদি ৰোপণ, কাগজ, কলম তথা লেখন সামগ্ৰীৰ ব্যৱসায়, কাঠভিত্তিক উদ্যোগ, পশুধন, সেৱা আৰু অন্যান্য খণ্ডৰ যোগ্য বিবেচিত উদ্যোগীলৈ ২ লাখ টকাৰ পৰা ৫ লাখ টকা পৰ্যন্ত সাহায্য আগবঢ়োৱা হ'ব। আজিৰ অনুষ্ঠানত নিৰ্বাচিত উদ্যোগীলৈ ৭৫ হাজাৰ টকাৰ প্ৰথম কিস্তি আগবঢ়োৱা হ'ব। তিনিদিনীয়া প্ৰশিক্ষণ অন্তত তেওঁলোকক ২৫ হাজাৰ টকাকৈ দ্বিতীয় কিস্তি আৰু উদ্যোগ তথা ব্যৱসায়টোৰ অগ্ৰগতি অনুসৰি উদ্যোগীগৰাকীৰ অৰ্হতাৰ ভিত্তিত ১ লাখ টকাৰ ৪ লাখ টকা পৰ্যন্ত অন্তিমটো কিস্তি আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে এই আঁচনিৰ বাবে ৰাজ্যৰ মুঠ ২৫ হাজাৰ ২৩৮ গৰাকী উদ্যোগী বাছনি কৰা হৈছে।

০০০০০০০

**সমাপ্ত**